জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

৪৫ সংখ্যা, ৩১ ভাদ, শুকুৰবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 45। DIBRUGARH, FRIDAY, SEPTEMBER 18, 2026 । পৃষ্ঠা ১৬ (Pages

মবংগৰ দুৰ্গাপুৰ আৰক্ষীৰ অভিযান

ব্যৱসায়ী মুকেশ পৃথানীক বিচাৰি নিচুকীয়াত তালাচী

সমৰ প্ৰতিনিধি

া, ১৭ ছেপ্টেম্বৰ ঃ তিনিচুকীয়াৰ ব্যৱসায়ী মুকেশ পৃথানীক চমবংগৰ দুৰ্গাপুৰ আৰক্ষীয়ে যোৱা কেইবাদিন ধৰি তিনিচুকীয়া সহযোগত ধাৰাবাহিক অভিযান চলাই থকা বুলি জানিব পৰা নিব পৰা মতে, দুৰ্গাপুৰ আৰক্ষীৰ ডি চি পি (ইষ্ট) বাসপ্ৰীত তৃত্বত অহা আৰক্ষীৰ দলটোৱে তিনিচুকীয়াত বাহৰ পাতি মুকেশ ঞ্চানত বিভিন্ন স্থানত অভিযান চলাইছে। দুৰ্গাপুৰ আৰক্ষী থানাত ২৬ নম্বৰত এটা গোচৰ ৰুজু হোৱাৰ পাছতে পৃথানীক বিচাৰি

ফিল'বাৰী পদুমপথাৰৰ সুনীতি শইকীয়াৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি

ফিল'বাৰী, ১৭ ছেপ্টেম্বৰ ঃ তিনিচুকীয়া জিলাৰ ফিল'বাৰী পদুমপথাৰ গাঁৱৰ নিৱাসী ধৰ্মপ্ৰাণা মহিলা সুনীতি শইকীয়াৰ কালি মৃত্যু ঘটে। তেওঁ অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰয়াত হৰিপদ শইকীয়াৰ সহধৰ্মিণী আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা লেখক ডঃ শশীকান্ত শইকীয়া আৰু ফিল'বাৰীৰ সমাজকৰ্মী মৃণালজ্যোতি শইকীয়াৰ মাতৃ আছিল। প্ৰায় ৯০ বছৰ বয়সত পৰলোকগামী হোৱা আইতাগৰাকীৰ বিয়োগত পৰিয়ালবৰ্গৰ লগতে অঞ্চলবাসীৰ মাজত গভীৰ শোকৰ ছাঁ পৰিছে। ফিল'বাৰী শাখা সাহিত্য সভা, ফিল'বাৰী সাংবাদিক চ'ৰা, ফিল'বাৰী শংকৰদেৱ শিশু নিকেতন পৰিচালনা সমিতি, ফিল'বাৰী আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ফিল'বাৰী আঞ্চলিক সমিতি, সদৌ মৰাণ ছাত্ৰ সন্থা, ফিল'বাৰী জ্যেষ্ঠ নাগৰিক সন্থা, ফিল'বাৰী শাখা লেখিকা সমাৰোহ সমিতি, ফিল'বাৰী আঞ্চলিক চুতীয়া ছাত্ৰ সন্থা, চুতীয়া যুৱ সন্মিলনী, ফিল'বাৰী আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থা, আপকু- তিনিচুকীয়া জিলা সমিতি আদিয়ে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে মৃতকৰ আত্মাৰ সদগতি কামনা কৰিছে।

যুৱ মনৰ সম্ভাৱনা বিকাশ

দৈনিক অসমৰ প্ৰতিনিধি

মৰাণ, ১৭ ছেপ্টেম্বৰ ঃ পৰিৱৰ্তনশীল সময়ৰ সৈতে খোজ মিলাই যুৱ প্ৰজন্মক ভৱিষ্যতৰ বাবে সাজু কৰাৰ লক্ষ্যৰে মৰাণ মহিলা মহাবিদ্যালয়ত কালি 'যুৱ মনৰ সম্ভাৱনা উন্মোচন' বিষয়ক এখন কেৰিয়াৰ কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ কেৰিয়াৰ পৰামৰ্শদাতা কোষ আৰু আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ উদ্যোগত তথা ড্ৰিমজোন আই এ এছ প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰ নিৰ্বাচন, দক্ষতা বিকাশ, নেতৃত্ব, অনুশাসন আৰু সামাজিক দায়বদ্ধতাৰ বিভিন্ন দিশৰ বিষয়ে অৱগত কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ তৰুণ গগৈৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটো আঁত ধৰে

অধ্যাপিকা মুছ
সমল ব্যক্তি হিচ
অতিৰিক্ত আৰ
শাখা) হীৰেন
উপ-আৰক্ষী অ
পি এছ আৰু
অধীক্ষক মধু
অনলাইনযোগে
বৰ্তমান সময়ৰ
সৈতে সংগতি
গুৰুত্বৰ বিষয়ে
পৰম্পৰাগত শি
খাপ খুৱাই নতু
সমাধানৰ ক্ষ
পৰিস্থিতিৰ সৈ
লোৱাৰ সামৰ্থ্য
ভূমিকা পালন